# অসম বিধান সভা

## লিখিত উত্তৰৰ বাবে প্ৰশ্নসমূহৰ তালিকা

### মঙ্গলবাৰ, ২৫ নৱেম্বৰ, ২০২৫

**পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ, ন্যায়িক, পৰ্য্যটন, সাধাৰণ প্ৰশাসন, বিত্ত, মহিলা আৰু শিশু উন্নয়ন, জনস্বাস্থ্য কাৰিকৰী, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা।**

**প্ৰশ্নসমূহৰ মুঠ সংখ্যা - ৫০**

---

*বিষয় ঃ* **দীপৰ বিলৰ উন্নয়ন, বিকাশ আৰু পৰ্য্যটনৰ আঁচনি সম্পৰ্কত।**

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ

১। মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দীপৰ বিলৰ বিকাশ, উন্নয়নৰ লগতে পৰ্য্যটনৰ আকৰ্ষণৰ বাবে চৰকাৰে বাজেটত ১০০ (এশ) কোটি টকা ধাৰ্য্য কৰা হৈছিলনে?

(খ) বৰ্তমান ১০০ (এশ) কোটি টকাৰ কাম আৰম্ভ কৰা হ'লনে?

(গ) যদি হোৱা নাই, তেনেহ'লে নোহোৱাৰ কাৰণ কি জনাব।

(ঘ) চৰকাৰে দীপৰ বিলৰ পৰ্য্যটনৰ আকৰ্ষণৰ বাবে কি পৰিকল্পনা প্ৰস্তুত কৰিছে জনাব।

(ঙ) দীপৰ বিলৰ পানী প্ৰদুষিত হোৱা নাই নে? যদি প্ৰদুষিত হৈছে, তেনেহ'লে প্ৰদূষণমুক্ত কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

*বিষয় ঃ* **প্ৰধান মন্ত্ৰী আৱাস গৃহ**

শ্ৰীনিজানুৰ ৰহমান ঃ

২। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা ১১-০৩-২০২৫ ইং তাৰিখে তৰাবিহীন প্ৰশ্ন নং ৪০০ৰ ভিতৰত ২৪ নং

গৌৰীপুৰ বিধান সভা সমষ্টিত ২০,০৭৭ টা গৃহ অনুমোদন দিয়াৰ বিপৰীতে ১৯,৮৭৫ টা প্ৰধান মন্ত্ৰী আৱাস গৃহৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰাৰ কথা কৈছিল, ২০২ টা গৃহৰ নিৰ্মাণকাৰ্য চলি থকা বুলি জনাইছিল। বৰ্তমানে উক্ত গৃহসমূহৰ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ হ'লনে? যদি হোৱা নাই, কেতিয়ালৈ সম্পূৰ্ণ হ'ব?

(খ) বৰ্তমানে নতুন কিবা আঁচনি হাতত লৈছেনে? যদি লৈছে, কেনেধৰণৰ?

*বিষয় ঃ* **অসম চৰকাৰৰ ঋণ**

শ্ৰীৰেকিবুদ্দিন আহমেদ ঃ

৩। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান অসম চৰকাৰৰ ঋণৰ পৰিমাণ কিমান?

(খ) ২০১৬ চনৰ পৰা এতিয়ালৈ লোৱা ঋণৰ বিতং তথ্য দাখিল কৰিব। কি কি উৎসৰ পৰা কিমান ঋণ লোৱা হ'ল তাৰ বিতং তথ্য জনাব।

(গ) বৰ্তমান অসমত জনমুৰি ঋণৰ পৰিমাণ কিমান?

(ঘ) ২০১৬ চনৰ পৰা বৰ্তমানলৈ অসম চৰকাৰে বিভিন্ন উৎসৰ পৰা যি ঋণ লৈছিল, তাৰ বিপৰীতে আদায় দিয়া সুতৰ বিতং তথ্য জনাব।

(ঙ) অসম চৰকাৰে DBT ৰ জৰিয়তে কিমান হিতাধিকাৰীক মাহে মাহে ধন দি আছে, বিতংকৈ জনাব। কোনখন আঁচনিত কিমান হিতাধিকাৰী আছে আৰু ৰাজকোষৰ কিমান টকা ব্যয় (মাহেকত) হয় বিতংকৈ জনাব।

(চ) ২০১৬-১৭ৰ পৰা ২০২৪-২৫ বিত্তীয় বৰ্ষলৈকে অসম চৰকাৰে বাজেটত কিমান টকা ধাৰ্য্য কৰিছিল, কিমান টকা সেই বিত্তীয় বৰ্ষৰ ভিতৰত ব্যয় কৰিছে লগতে ৰাজহ আৰু মূলধনী শিতানত কিমান টকা ধাৰ্য্য কৰিছিল লগতে প্ৰকৃততে কিমান টকা ব্যয় কৰিছিল বিতংকৈ জনাব।

*বিষয় ঃ* **P & R D Special Recruitment Drive সম্পৰ্কিত।**

শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ

৪। মাননীয় পঞ্চায়ত এবং গ্ৰামোন্নয়ন বিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কি ঃ

(ক) State Pool Contractual Teachers এবং SSA Contractual Teachers যারা পাঁচ বছর Contractual হিসাবে Service করছেন তাদের চাকরি নিয়মিতকরণ করা হয়েছে Special Recuritment Drive এর অধীনে?

(খ) একইভাবে P & R D বিভাগে ১৫ বছর থেকে Contractual হিসাবে কৰ্মরতদের চাকরি নিয়মিতকরনের জন্য Special Recruitment Drive এর কোনো পরিকল্পনা রয়েছে কী সরকারের?

(গ) P & R D বিভাগে কৰ্মরত Contractual কৰ্মচারীদের চাকরি নিয়মিতকরণের দাবির বিষয়ে সরকার অবগত কী?

*বিষয় ঃ* **চাবুৱা পৌৰসভা এলেকাত বিজ্ঞানসন্মত আৰু পৰিকল্পিতভাৱে পানী নিষ্কাষণ সম্পৰ্কে।**

শ্ৰীপোনাকণ বৰুৱা ঃ

৫। মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) এজাক বৰষুণতে চাবুৱা পৌৰসভা এলেকাৰ ৰাষ্ট্ৰীয় ঘাইপথ আৰু পৌৰসভাৰ জনবসতি থকা অঞ্চলসমূহ প্লাৱিত হৈ মাহ মাহ জুৰি কৃত্ৰিম বানত ডুবি থকা সম্পৰ্কে চৰকাৰ অৱগতনে?

(খ) এই সমস্যা নিৰাময় কৰিবলৈ বিজ্ঞানসন্মত আৰু পৰিকল্পিতভাৱে নলা নির্মাণৰ বাবে চৰকাৰে কিবা ব্যৱস্থা লৈছে নেকি?

(গ) যদি লৈছে, কেনে ব্যৱস্থা গ্ৰহণ কৰিছে?

(ঘ) যদি লোৱা নাই, কিয় লোৱা নাই?

*Sub.* : **Delimitation of Dev. Block**

SHRI SIRAJUDDIN AJMAL :

6. Will the Minister of Panchayat and Rural Development Department be pleased to state:

(a) Does the Government have any plan to delimit any existing development block in the state at this moment ?

(b) If so, is there any proposal to delimit the Binnakandi Development Block and create one new Development Block under Binnakandi LAC ?

(c) If so, by when, and if not, the reasons thereof ?

*বিষয় ঃ* **জল জীৱন মিছন আঁচনি**

শ্ৰীহাফিজ বচিৰ আহমেদ ঃ

৭। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২৬ নং বিলাসীপাৰা বিধান সভা সমষ্টিত বৰ্তমানে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অধীনত জল জীৱন মিছনৰ কিমানখন আঁচনি নিৰ্মীয়মান অৱস্থাত আছে? বৰ্তমানে কিমানখন আঁচনি সম্পূৰ্ণ হৈছে আৰু কিমানখন সম্পূৰ্ণ হ'বলৈ বাকী আছে? (আঁচনিসমূহৰ কামৰ অগ্ৰগতিৰ খতিয়ান সদনৰ মজিয়াত দাখিল কৰিব।)

(খ) সম্পূৰ্ণ হোৱা আঁচনিসমূহৰ কিমানটা কাৰ্য্যক্ষম হৈ আছে আৰু কিমানখন বিকল হৈ আছে? বিকল আঁচনিসমূহ কিমান দিনৰ ভিতৰত কাৰ্য্যক্ষম হৈ উঠিব?

*বিষয় ঃ* **আদৰ্শ গ্ৰাম যোজনা**

শ্ৰীনিজাম উদ্দিন চৌধুৰী ঃ

৮। মাননীয় পঞ্চায়ত এবং গ্রামোন্নয়ণ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) আলগাপুর সমষ্টির অন্তর্গত AAJY আদর্শ গ্রাম যোজনার অধীনে দুইটি গ্রাম যথাক্রমে উত্তর কাঞ্চনপুর ২য়, ও মোহনপুর ২য়, গত দুই বৎসরে কোনো অর্থ মঞ্জুর করা হয়েছে কি?

(খ) যদি দেওয়া হয় তবে কবে নাগাদ দেওয়া হবে? বিস্তারিত বিবরণ সদনে দাখিল করার জন্য অনুরোধ রইল।

*বিষয় ঃ* **MGNREGAৰ অধীনত আঁচনি গ্ৰহণ**

শ্ৰীধৰ্ম্মেশ্বৰ কোঁৱৰ ঃ

৯। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) MGNREGAৰ অধীনত কি কি আঁচনি গ্ৰহণ কৰিব পাৰি? এই MGNREGA ৰ জৰিয়তে গাঁৱৰ সৰু সৰু বাট পথসমূহ পকীকৰণ, শিলনিকৰণ বা পেভাৰ ব্লকেৰে নিৰ্মাণ কৰিব পাৰি নেকি?

(খ) MGNREGA আঁচনিৰ অধীনত সোণাৰি সমষ্টিত এই পৰ্য্যন্ত কি কি কাম কৰা হ'ল? এই আঁচনিৰ অধীনত ৰূপায়ণ কৰা কামসমূহৰ বিষয়ে সবিশেষ জনাব।

*বিষয় ঃ* **জল জীৱন মিছন**

মোঃ নুৰুল হুদা ঃ

১০। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অন্তৰ্গত জল জীৱন মিছনত অনুমোদিত হৈ থকা বিলসমূহ পৰিশোধ নোহোৱা অৱস্থাত থকাৰ বিষয়ে চৰকাৰ অৱগতনে? যদি অৱগত, কিমান পৰিমাণৰ টকাৰ বিল পৰিশোধ কৰিবলৈ বাকী আছে জনাব।

(খ) মহকুমা ভিত্তিক পৰিশোধ নোহোৱা বিলসমূহৰ তালিকা আৰু সেইবোৰৰ পৰিশোধৰ সময়সীমা নিৰ্ধাৰিত কৰি তালিকা দাখিল কৰিব।

(গ) বিলৰ পৰিশোধত বিলম্ব হোৱাৰ বাবে ঠিকাদাৰসমূহক আৰ্থিক ভাৱে দুৰ্বল হোৱাৰ পৰা ৰক্ষা কৰিবলৈ চৰকাৰে কিবা পদক্ষেপ গ্ৰহণ কৰিছে নেকি?

(ঘ) জল জীৱন মিছনত অসমত সৰ্বমুঠ কিমান আঁচনি অনুমোদিত হৈছে তাৰে কিমান সম্পূৰ্ণ নিৰ্মাণ আৰু কিমান আঁচনি অসম্পূৰ্ণ হৈ আছে? তাৰ বিতং তথ্য সদনত জনাব।

(ঙ) নগাঁও জিলাৰ ৰূপহীহাট বিধান সভা সমষ্টিত জল জীৱন মিছনত সৰ্বমুঠ কিমান আঁচনি ধাৰ্য্য আছিল, তাৰ মাজত কিমান সম্পূৰ্ণ আৰু কিমান অসম্পূৰ্ণ হৈ আছে, আঁচনি ভিত্তিত তথ্য প্ৰদান কৰিব।

(চ) কোনো আঁচনি আধৰুৱা হৈ নিৰ্মাণ বন্ধ হৈ আছে নেকি? যদি আছে, কিয় আৰু কেতিয়াৰ ভিতৰত সম্পূৰ্ণ হ'ব? তাৰ বিতং তথ্য সদনত দাখিল কৰিব।

*বিষয় ঃ* **নতুন আঁচনি**

শ্ৰীদুৰ্গা দাস বড়ো ঃ

১১। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জল জীৱন মিছনৰ অধীনত হৰ ঘৰ নল, হৰ ঘৰ জল ব্যৱস্থাৰ অধীনত নপৰা বহুতো অঞ্চল আছে, তেনে ঠাইসমূহত নতুন আঁচনি দিয়াৰ সিদ্ধান্ত আছে নেকি?

(খ) যদি আছে, পুনৰ কেতিয়াৰ পৰা নতুন আঁচনি লোৱাৰ ব্যৱস্থা কৰিব জনাবনে?

*বিষয় ঃ* **MGNREGA আৰু পঞ্চদশ বিত্তীয় আয়োগৰ আঁচনি ৰূপায়ণ।**

শ্ৰীদিগন্ত বৰ্মন ঃ

১২। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰক্ষেত্ৰী উন্নয়ন খণ্ডৰ অন্তৰ্গত পূৰ্বৰ মুকালমুৱা-নাৰায়ণপুৰ গাঁও পঞ্চায়ত আৰু বৰ্তমানৰ ৫১ নং মুকালমুৱা গাঁও পঞ্চায়ত এলেকাৰ ভিতৰত বিত্তীয় বৰ্ষ ২০১৬-১৭ৰ পৰা বিত্তীয় বৰ্ষ ২০২৪-২৫ চনলৈ MGNREGA, পঞ্চদশ বিত্তীয় আয়োগৰ দ্বাৰা কি কি আঁচনি ৰূপায়ণ কৰা হৈছিল আৰু আঁচনিৰ বিপৰীতে ধাৰ্য্য কৰা ধনৰ পৰিমাণ কিমান? (বিতং তথ্য বিত্তীয় বৰ্ষ অনুযায়ী সদনত দিব।)

(খ) উক্ত পঞ্চায়ত এলেকাৰ ভিতৰতে ব্ৰহ্মপুত্ৰ নদীৰ সুঁতিৰ কাষত থকা "গো-বিজ্ঞান কেন্দ্ৰ"ৰ ভিতৰত MGNREGA, পঞ্চদশ বিত্তীয় আয়োগৰ দ্বাৰা কি কি আঁচনি গ্ৰহণ কৰা হৈছিল? (আঁচনিৰ বিপৰীতে ধাৰ্য্য কৰা ধনৰ পৰিমাণ, বিত্তীয় বৰ্ষ অনুযায়ী সদনত দাখিল কৰিব।)

*বিষয় ঃ* **ওৰাং ৰাষ্ট্ৰীয় অভয়াৰণ্য**

শ্ৰীমজিবুৰ ৰহমান ঃ

১৩। মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দলগাঁও সমষ্টিৰ শিলবাৰীৰ ওৰাং ৰাষ্ট্ৰীয় অভয়াৰণ্যখন ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয়

Tourist সকলৰ কাৰণে আন্তঃগাঁথনি উন্নয়ন কৰাৰ কিবা পৰিকল্পনা আছেনে? যদি আছে, কেতিয়ালৈকে কৰিব বুলি সিদ্ধান্ত লৈছে? (সবিশেষ সদনৰ মজিয়াত দাখিল কৰিব।)

(খ) অসম চৰকাৰে ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ ফেন্সীং আৰু ধনশ্ৰী নদীৰ খহনীয়া ৰোধ কৰিবৰ বাবে কিবা ব্যৱস্থা গ্ৰহণ কৰিব নেকি? যদি কৰে, কেতিয়ালৈকে কৰিব? সবিশেষ সদনৰ মজিয়াত দাখিল কৰিব।

*বিষয় ঃ* **AWC Worker & Helper নিয়োগ ও promotion from Helper to Worker.**

শ্রীসুজাম উদ্দিন লস্কর ঃ

১৪। মাননীয় মহিলা এবং শিশু উন্নয়ন বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) হাইলাকান্দি জেলায় তিনটি ICDS Project যথাক্রমে লালা, কাটলিছড়া ও সাউথ হাইলাকান্দি ICDS Project গত সেপ্টেম্বর, ২০২৪ ইং তে AWC Worker & Helper নিয়োগ বিজ্ঞপ্তি ও Interview এর বিষয়ে সরকার অবগত আছে কি?

(খ) যদি থাকে, তবে গত নভেম্বর ২০২৪ ইং তে Interview Process শেষ হয়ে প্রায় ১১ মাস অতিবাহিত হওয়ার পর আজ অবদি নিয়োগ পত্র না দেওয়ার বিষয়ে সরকার অবগত আছে কি?

(গ) যদি অবগত থাকে, তবে কবে নাগাদ নিয়োগ পত্র প্রদান করা হবে ও Helper to Worker প্রমোশন দেওয়া হবে?

*বিষয় ঃ* **অসম চৰকাৰৰ ঋণ সম্পৰ্কে**

ডাঃ আছিফ মঃ নাজাৰ ঃ

১৫। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰৰ বৰ্তমান ঋণৰ পৰিমাণ কিমান আৰু এই ঋণৰ কাৰণে চৰকাৰে মাহে কিমান টকা সুত প্ৰদান কৰিব লাগে?

(খ) অসম চৰকাৰে লোৱা ধাৰৰ টকা হিতাধিকাৰীক দিয়া হয়নে?

*Sub.* : **Sanction and Status of Model Anganwadi Centers in Dholai Constituency.**

Shri NIHAR RANJAN DAS :

16. Will the Minister of Woman and Child Development Department be pleased to state :

(a) Please furnish the total number of Model Anganwadi Centers (MACs) allocated and sanctioned for the Dholai constituency up to date, along with a detailed list indicating the location and current implementation status of each center (e.g. completed ongoing fund released or yet to be started).

(b) Please furnish the number of new Model Anganwadi Centers sanctioned for the Dholai constituency specifically under the financial year 2025-26.

*বিষয় ঃ* **গুৱাহাটীৰ বানপানী, জলাশয়**

শ্ৰীমতী দিপ্তীময়ী চৌধুৰী ঃ

১৭। মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গুৱাহাটীৰ কৃত্ৰিম বানপানী ৰোধৰ বাবে ৰাজ্য চৰকাৰে কি কি হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী পৰিকল্পনা গ্ৰহণ কৰিছে?

(খ) গুৱাহাটীৰ বানপানীৰ ওপৰত নেডাৰলেণ্ডৰ ফাৰ্ম বা অন্য ফাৰ্মে অধ্যয়ন কৰি আছে নেকি? যদি আছে, সবিশেষ তথ্য দাখিল কৰিব। ফাৰ্মখনে কিবা প্ৰাৰম্ভিক প্ৰতিবেদন দাখিল কৰিছে যদি, তাৰ প্ৰতিলিপি দাখিল কৰিব। সম্পূৰ্ণ প্ৰতিবেদন কেতিয়া দাখিল কৰিব?

(গ) অসম আৰু মেঘালয়ৰ কোন কোন নদী, সুঁতি, জান-জুৰিৰ পানী গুৱাহাটী মহানগৰীত বাৰিষা কালত প্ৰৱেশ কৰে? গুৱাহাটীৰ বানপানীৰ প্ৰধান কাৰণ কি?

(ঘ) গুৱাহাটীৰ বানপানী প্ৰতিৰোধৰ বাবে এছিয়ান ডেভেলপমেন্ট বেংক (ADB) বা আন কোনো উৎসৰ পৰা অৰ্থ সাহাৰ্য্য বিচৰা হৈছে নেকি? যদি হৈছে, অসম চৰকাৰৰ প্ৰস্তাৱ সমূহ বিস্তৃতভাৱে জনাব।

(ঙ) গুৱাহাটী মহানগৰীত কিমান জলাশয় আছে? এই জলাশয়সমূহৰ মাটি-কালি, বৰ্তমান বেদখলীকৃত ভূমিৰ মাটিৰ পৰিমাণ দাখিল কৰিব। (তথ্যসমূহ জলাশয় ভিত্তিত দাখিল কৰিব।)

*বিষয় ঃ* **অৰুণোদয় আঁচনিৰ সম্পৰ্কে**

শ্ৰীপ্ৰদীপ চৰকাৰ ঃ

১৮। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অৰুণোদয় আঁচনিয়ে মহিলাৰ আৰ্থিক স্বাধীনতাত কিমান প্ৰভাৱ পেলাইছে, সেইটো বুজিবলৈ চৰকাৰে কি মূল্যায়ন কৰিছে জনাব।

(খ) চৰকাৰৰ হাতত কোনো হিতাধিকাৰীৰ একাউন্ট বন্ধ হোৱাৰ তথ্য আছে নেকি? যাৰ ফলত কোনো কোনো হিতাধিকাৰীয়ে উক্ত আঁচনিৰ ধন লাভ কৰিবলৈ সক্ষম হোৱা নাই। যদি আছে, তথ্য সহকাৰে জনাব।

(গ) উক্ত আঁচনিৰ অধীনত সকলো হিতাধিকাৰীৰ প্ৰত্যক্ষ লাভ হস্তান্তৰ প্ৰক্ৰিয়াৰ পৰীক্ষা কৰিছে নে? যাতে নিৰ্বাচিত হিতাধিকাৰীসকল কোনো প্ৰৱঞ্চনাৰ সন্মুখীন নহয়।

*বিষয় ঃ* **মোকৰ্দমা সন্দৰ্ভত চৰকাৰী ব্যয়**

শ্ৰীমিছবাহুল ইছলাম লস্কৰ ঃ

১৯। মাননীয় ন্যায়িক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা ৫ বছৰত অসম চৰকাৰে বিভিন্ন শিতানত দাখিল কৰা উকীলৰ ফিজ আৰু আন সম্পৰ্কিত মুঠ কিমান ব্যয় বহন কৰিছে? তথ্য দাখিল কৰিব।

(খ) যোৱা ৫ বছৰত ভাৰতীয় সৰ্বোচ্চ ন্যায়ালয়ৰ আৰু উচ্চ ন্যায়ালয় সমূহত অসম চৰকাৰক প্ৰতিনিধিত্ব কৰা উকীল সমূহক দিয়া ফিজৰ পৰিমাণ বছৰভিত্তিক আৰু ন্যায়ালয় ভিত্তিক জনাব।

(গ) বৰ্তমান ভাৰতীয় সৰ্বোচ্চ ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়সমূহত অসম চৰকাৰ পক্ষভুক্ত হিচাবে থকা মোকৰ্দমাসমূহৰ মুঠ সংখ্যা কিমান, জনাব।

(ঘ) চৰকাৰৰ দ্বাৰা ন্যায়িক ব্যৱস্থা সুচাৰুৰূপে পৰিচালনা কৰিবৰ বাবে কেনে ধৰণৰ নতুন ব্যৱস্থাপনা হাতত লোৱা হৈছে আৰু নিষ্পত্তি নোহোৱা আইনী মোকৰ্দমাসমূহৰ সংখ্যা কমোৱাৰ ক্ষেত্ৰত কেনেধৰণৰ ব্যৱস্থা হাতত লোৱা হৈছে?

(ঙ) গুৱাহাটী উচ্চ ন্যায়ালয়ে বিভিন্ন সময়ত অৰ্নমাই বৰা ধৰ্ষণ কাণ্ড, এ পি এচ চি কেলেংকাৰী আদিৰ দৰে স্পৰ্শকাতৰ বিষয়সমূহৰ মোকৰ্দমাৰ অভিযুক্ত সকলক ন্যায়িক ব্যৱস্থাৰ

মাজেৰে বেইল প্ৰদান কৰা দেখা পোৱা গৈছে, এনে গোচৰ সমূহ পৰৱৰ্ত্তী পৰ্য্যায়ত উচ্চতম ন্যায়ালয়ত চৰকাৰী পক্ষৰ দ্বাৰা গোচৰ তৰি উচিত ন্যায় প্ৰদানৰ চেষ্টা কৰা হৈছে নেকি? যদি হৈছে, তথ্য দাখিল কৰিব।

*Sub.* : **Assistance to GP's PRI Members.**

Shri RUPJYOTI KURMI :

20. Will the Minister of Panchayat and Rural Development Department be pleased to state:

(a) Will the Panchayat and Rural Development Department be pleased to give in details, as how the Deptartment is planning to assist GP's PRI Members on "Own Source" & "Remuneration" ?

(b) If yes, will the Department arrange special training programmes for the PRI's on the above ?

(c) If yes, by when ?

*বিষয় ঃ* **ঋণ সম্পৰ্কে**

শ্ৰীমতী শিৰামণি বৰা ঃ

২১। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰে ১০-০৫-২০২২ চনৰ পৰা ৩১-১০-২০২৫ লৈকে কিমান টকাৰ ঋণ লৈছে? কোন কোন বেংক বা বিত্তীয় প্ৰতিষ্ঠানৰ পৰা কোন কোন তাৰিখত কিমান পৰিমাণৰ ঋণ লৈছে আৰু সুদৰ শতাংশৰ হাৰ কিমান? বিতং তথ্য সদনত দাখিল কৰিব।

(খ) এই ঋণৰ বাবে কিমান সুদ আদায় দিব লগা হৈছে? বৰ্ষ ভিত্তিত তথ্য দিব।

(গ) অসমৰ জনমূৰি ঋণৰ পৰিমাণ বৰ্তমান কিমান?

*বিষয় ঃ* **মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান আঁচনি সম্পৰ্কে।**

শ্ৰীযাদৱ স্বৰ্গীয়াৰী ঃ

২২। মাননীয় মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মৰাণ, মটক, কোঁচ ৰাজবংশী, চুতীয়া, চাহ জনজাতি আৰু টাই-আহোম সম্প্ৰদায়ৰ কিমান মহিলাই আৰম্ভণিৰে পৰা মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান আঁচনি লাভ কৰিছে, তাৰ বিতং তথ্য দাখিল কৰিব।

(খ) মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান আঁচনি অধীনত এক চৰ্ত হিচাবে মৰাণ, মটক, কোঁচ ৰাজবংশী, চুতীয়া, চাহ জনজাতি আৰু টাই-আহোম অঞ্চলৰ বিদ্যালয়লৈ নোযোৱা ছোৱালীসকলৰ বিদ্যালয়ত নতুনকৈ নামভৰ্ত্তিৰ তালিকা দাখিল কৰিব।

(গ) মৰাণ, মটক, কোঁচ ৰাজবংশী, চুতীয়া, চাহ জনজাতি আৰু টাই-আহোম সম্প্ৰদায়ৰ কিমান মহিলাই সন্তানৰ সীমাবদ্ধতাৰ বাবে এই আঁচনিৰ পৰা উপকৃত হ'ব পৰা নাই, জনাব।

(ঘ) চৰকাৰে এই মহিলা সকলক বছৰি ১ লাখ টকাৰ আয় সৃষ্টি কৰিবলৈ কি পদক্ষেপ গ্ৰহণ কৰিছে আৰু লাভকৰ্তাসকলক কি ধৰণৰ প্ৰশিক্ষণ প্ৰদান কৰা হৈছে, জনাব।

*বিষয় ঃ* **MGNREGAৰ কাম সম্পৰ্কে।**

শ্ৰীআফতাব উদ্দিন মোল্লা ঃ

২৩। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

জলেশ্বৰ সমষ্টিৰ জলেশ্বৰ উন্নয়ন খণ্ডত ২০২৩-২৪ আৰু ২০২৪-২৫ বিত্তীয় বৰ্ষত MGNREGAৰ অধীনত কিমান টকা আদায় দিয়া হৈছে?

ইয়াৰ ভিতৰত কিমানখিনি টকা Materialsত দিয়া হৈছে আৰু কিমান টকা Wageত দিয়া হৈছে? তথ্য সহকাৰে জনাব।

*বিষয় ঃ* **বিত্ত বিভাগৰ পুঁজিৰ আবণ্টন**

শ্ৰীওৱাজেদ আলী চৌধুৰী ঃ

২৪। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিধায়ক পুঁজিৰ আবণ্টন কিহৰ ভিত্তিত দিয়া হয়?

(খ) বিধানসভা সমষ্টি পুনৰ গঠনৰ পিছত অসমৰ ১২৬ টা বিধান সভা সমষ্টিত জনসংখ্যা, সমষ্টি ভিত্তিত জনাব নেকি?

(গ) সমষ্টি উন্নয়নৰ ক্ষেত্ৰত বিধায়ক পুঁজিৰ ধন জনসংখ্যা অনুপাতে আবণ্টন দিয়াৰ ব্যৱস্থা কৰিব নেকি?

*বিষয় ঃ* **প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত আৱাস সম্পৰ্কে।**

শ্ৰীআশ্ৰাফুল হুছেইন ঃ

২৫। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নৱগঠিত ব্লকসমূহ ঘোষণাকৃত হেড কোৱাৰ্টাৰ সমূহলৈ স্থানান্তৰৰ বাবে প্ৰয়োজনীয় পুঁজি যোগানৰ কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নে? যদি কৰা নাই, তেন্তে কেতিয়ালৈ কৰিব?

(খ) বৰপেটা জিলাৰ চেংগা সমষ্টিৰ চেংগা আৰু গোমাফুলবাৰী ব্লক দুটা নিজস্ব হেড কোৱাৰ্টাৰলৈ স্থানান্তৰৰ ক্ষীপ্ৰ ব্যৱস্থা বিভাগে গ্ৰহণ কৰিব নে?

(গ) ধুবুৰী, বৰপেটা আৰু নগাঁও লোকসভা এলেকাৰ কোন গাঁও পঞ্চায়তত কিমান সংখ্যক লোকে Anwesha পৰ্টেলৰ জৰিয়তে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত আৱাস পোৱাৰ বাবে আৱেদন কৰিছিল? এই আবেদনকৃত সকলৰ কিমান সংখ্যক ব্যক্তিক Awaas Plusৰ অধীনত মূল্যায়ন কৰাৰ ব্যৱস্থা কৰা হৈছে? মুঠ কিমান সংখ্যক লোকক Awaas Plusৰ অন্তৰ্ভুক্ত কৰা হৈছে? পঞ্চায়ত অনুযায়ী বিতং তথ্য জনাব।

(ঘ) ৰাজ্যত বিগত ৫ টা বিত্তীয় বৰ্ষত MGNREGA ৰ নামত কেন্দ্ৰই মুকলি কৰি দিয়া ধন আৰু খৰচকৃত ধনৰ তথ্য জনাব। ৰাজ্যৰ প্ৰতিটো পঞ্চায়তত Ongoingহৈ থকা কামৰ পৰিসংখ্যা জনাব।

*বিষয় ঃ* **বরাক উপত্যকার গ্রামীণ রাস্তার বেহাল অবস্থা ও কাটিগড়া ব্লকের অধীনে প্রস্তাবিত প্রকল্পসমূহের অনুমোদন।**

শ্ৰীখলিল উদ্দিন মজুমদার ঃ

২৬। মাননীয় পঞ্চায়ত এবং গ্রামোন্নয়ণ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) বরাক উপত্যকার গ্রামীণ রাস্তার অবস্থা অত্যন্ত বেহাল, অনেক স্থানে লোক চলাচলের অনুপযোগী হয়ে পড়েছে। এই বেহাল রাস্তা গুলির পুনঃনির্মাণ ও মেরামতির জন্য সরকার কি পদক্ষেপ গ্রহণ করেছে? অনুগ্রহ করে বিস্তারিতভাৱে জানাবেন।

(খ) বিশেষত ১১৬ নং কাটিগড়া বিধান সভা সমষ্টির অন্তর্গত Katigorah Development Block মারফৎ MGNREGA এর অধীনে প্রস্তাবিত প্রকল্পসমূহ (Letter Ref. No. MLA/KTG/24/1484, dated 09/12/2024, F/Y 2024-25) বিভাগ কর্তৃক এখনো পর্যন্ত অনুমোদিত হয়নি? কেন এই বিলম্ব হচ্ছে এবং প্রস্তাবিত উক্ত প্রকল্পগুলির কাজের অনুমোদন কবে নাগাদ দেওয়া হবে? অনুগ্রহ করে বিস্তারিতভাৱে জানাবেন।

*বিষয় ঃ* অৰুণোদয় আঁচনি সম্পৰ্কে

শ্ৰীআব্দুৰ ৰহিম আহমেদ ঃ

২৭। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত এতিয়ালৈকে অৰুণোদয় আঁচনি(৩.০)ত কিমানজন হিতাধিকাৰীৰ নাম সন্নিবিষ্ট হৈছে? জিলা ভিত্তিত তালিকা দাখিল কৰিব।

(খ) অসম চৰকাৰে বান্ধি দিয়া অৰ্হতা আৰু যোগ্যতা থকাৰ পিছতো বহুসংখ্যক বিধৱা, অবিবাহিত বয়স্ক ব্যক্তি আৰু বিশেষভাৱে সক্ষম (বিকলাংগ) ব্যক্তিসকল এই হিতাধিকাৰী আঁচনিৰ পৰা বাদ পৰিছে, এইবিষয়ে চৰকাৰ অৱগতনে?

(গ) যদি অৱগত, তেন্তে এনেকুৱা কিমানজন হিতাধিকাৰী এই আঁচনিৰ পৰা বাদ পৰিছে? সবিশেষ জনাব।

(ঘ) এই বাদ পৰা ব্যক্তিসকলক এই আঁচনিৰ অধীনত অন্তৰ্ভুক্ত কৰাৰ কাৰণে চৰকাৰে কোনো পদক্ষেপ গ্ৰহণ কৰিছে নেকি? যদি কৰিছে, কিমান দিনৰ ভিতৰত এই ব্যক্তিসকলৰ নাম অন্তৰ্ভুক্ত হ'ব, বিতংকৈ জনাব।

*বিষয় ঃ* জল জীৱন মিছনৰ পানী যোগান সম্পৰ্কে

শ্ৰীআব্দুছ ছোবাহান আলী সৰকাৰ ঃ

২৮। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জল জীৱন মিছনৰ অধীনত গোলকগঞ্জ বিধান সভা সমষ্টিৰ অন্তৰ্গত বহু কেইখন আঁচনি চৰকাৰে গ্ৰহণ কৰিছিল যদিও সেইসমূহ আজিও সক্ৰিয় হৈ উঠা নাই, এইবিষয়ে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, উক্ত আঁচনিৰ অধীনত আগমণি, গোলকগঞ্জ ব্লক আৰু নৱগঠিত গৌৰীপুৰ সমষ্টিৰ বালাজান ব্লক আৰু আথানি ব্লকৰ অন্তৰ্গত কিছুমান আঁচনিৰ কাম এতিয়াও অৰ্ধনিৰ্মিত। কোনটো কাম কিমান শতাংশ সম্পন্ন হৈছে, কোনটো কামৰ বাবদ কিমান শতাংশ ধন ইতিমধ্যে চৰকাৰে মোকলাই দিছে আৰু উক্ত কামসমূহ কিমান দিনৰ ভিতৰত ৰাইজৰ ব্যৱহাৰৰ উপযোগী হোৱাকৈ ব্যৱস্থা গ্ৰহণ কৰিব? তথ্যসহ বিতংভাৱে জনাব।

(গ) আগমণি, গোলকগঞ্জ আৰু বালাজান ব্লকৰ অন্তৰ্গত উক্ত আঁচনিৰ লগত জড়িত কিমানজনে জলমিত্ৰ পাইছে আৰু কিমানজনে কিমানকৈ মাহিলী পাৰিতোষিক পাই আছে? নামসহ সবিশেষ জনাব।

(ঘ) উক্ত আঁচনিৰ লগত জড়িত ঠিকাদাৰসকলে বিল পাইছেনে? যদি পোৱা নাই, কিমান দিনৰ ভিতৰত পাব আৰু কোন ঠিকাদাৰে কোনটো আঁচনি পাইছে? সবিশেষ তথ্য সহকাৰে সদনৰ মজিয়াত জনাব।

*বিষয় ঃ* আদৰ্শ অংগনবাড়ী কেন্দ্ৰ নিৰ্মাণ

শ্ৰীআব্দুল বাতিন খণ্ডকাৰ ঃ

২৯। মাননীয় মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত সৰ্বমুঠ কিমানটা আদৰ্শ অংগনবাড়ী কেন্দ্ৰ নিৰ্মাণৰ কাম হাতত লোৱা হৈছে? জিলা ভিত্তিত সংখ্যা জনাব।

(খ) বঙাইগাঁও জিলাৰ অন্তৰ্গত মাণিকপুৰ শিশু উন্নয়ন প্ৰকল্প, সৃজনগ্ৰাম শিশু উন্নয়ন প্ৰকল্প আৰু টাপাট্টাৰী শিশু উন্নয়ন প্ৰকল্পৰ এলেকাধীন কোন কোন অংগনবাড়ী কেন্দ্ৰত আদৰ্শ অংগনবাড়ী কেন্দ্ৰ গৃহৰ কাম মঞ্জুৰ কৰা হৈছে? কেন্দ্ৰসমূহৰ নামৰ তালিকা Physical আৰু Financial অগ্ৰগতিসহ দাখিল কৰিব।

*বিষয় ঃ* **কাটিগড়া বিধান সভা সমষ্টির অন্তর্গত প্রাকৃতিক সৌন্দর্য্য সম্পর্কিত।**

শ্রীকমলাক্ষ দে পুরকায়স্থ ঃ

৩০। মাননীয় পর্য্যটন বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) কাটিগড়া বিধান সভা সমষ্টির অন্তর্গত অনেকগুলো এলাকা যেহেতু বরাইল পাহাড় ও জয়ন্তীয়া পাহাড়ের পাদদেশে অবস্থিত এবং এলাকাগুলো অত্যন্ত প্রাকৃতিক সৌন্দর্য ভরপুর সিন্দুরা, নুনচুরিসহ অনেকগুলো জায়গা রয়েছে যেখানে পর্য্যটন কেন্দ্র গড়ে তোলার পূর্ণ সম্ভাবনা রয়েছে কি?

(খ) মাননীয় সরকারের কাছে আমার অনুরোধ যে এই অঞ্চলগুলোকে পর্য্যটন কেন্দ্র হিসেবে গড়ে তোললে সরকারের রাজস্ব তথা অত্র অঞ্চলের আর্থ-সামাজিক উন্নয়নের ক্ষেত্রে যথেষ্ট সহায়তা ভূমিকা পালন করবে, সরকার কী সেই ব্যাপারে কোনো ইতিবাচক চিন্তা করেছেন, যদি করেন, তবে কি ধরনের সিদ্ধান্ত নিয়েছেন তাহার তথ্য সদনে উল্লেখ করেন যেন।

(গ) সিদ্ধেশ্বর শিব মন্দির বরাক উপত্যকার সবচেয়ে প্রাচীন সনাতনী ধর্মস্থান, উক্ত স্থানকে একটি বিশেষভাবে পর্য্যটন কেন্দ্র হিসাবে গড়ে তোলতে এখানে আরতী ঘাট, Museum ইত্যাদি নির্মাণ করে এই স্থানকে একটি অন্যতম পর্য্যটন কেন্দ্র হিসেবে গড়ে তোলার জন্য বিশেষ ব্যবস্থা করবেন নেকি?

*Sub.* : **Sanction of JJM projects.**

SHRI SIRAJUDDIN AJMAL :

31. Will the Minister of Public Health Engineering Department be pleased to state:

(a) Number of JJM Projects proposed, sanctioned and completed under Binnakandi LAC so far, please give in details year-wise.

(b) Number of Water Users Committees (WUCs) formed, empowered under Binnakandi LAC so far, please give the list of WUCs scheme wise in details.

(c) Number of Households proposed, connected and are being facilitated with pure drinking water so far please give the list of facilitated Households scheme wise in details.

(d) Number of Households yet to cover under any scheme so far, please give the list of unconnected Households GP wise in details.

*Sub.* : **Clearance of pending liabilities etc.**

SHRI SHERMAN ALI AHMED :

32. Will the Minister of Public Health Engineering Department be pleased to state:

(a) In view of reply to Unstarred QN.60 dtd. 27-08-2024, why the payment for schemes proposed by EE, PHE, Barpeta vide letter No.PHEE/BAR/Tech-79(Pt.)/2022-23/8348 dtd 27-12-2022 are not made yet ?

(b) Why suppliers/contractors are deprived for about 4 years ?

(c) When the payment shall be made ?

(d) In reply to Unstarred QN. 60 (g) dtd 27-08-2024, it was assured in the august house that the pending liability for installation of 25 SHPs during 2016 shall be cleared during 2024-25 itself. Why the payment isn't made yet ?

(e) Why the assurance in the august house is breached ?

(f) Why a motion of breach of privilege against the Hon'ble Miniser shall not be moved for his breach of assurance in the august house ?

(g) In view of unstarred QN.182 dtd. 04-03-2025 and EE's re-verification report submitted vide No.PHEE/BAR/SBM-40/Pt./2024-25/8727 dtd 30-01-2025, what is the present status of payment ?

(h) When the payment shall be made ?

*বিষয় ঃ* **অসমৰ নিবনুৱা আৰু চৰকাৰী নিযুক্তি**

**শ্ৰীঅখিল গগৈ ঃ**

৩৩। মাননীয় সাধাৰণ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১ এপ্ৰিল, ২০১৬ চনৰ পৰা বৰ্তমানলৈকে বছৰি অসম চৰকাৰে কোন কোন বিভাগত কিমান চৰকাৰী নিযুক্তি প্ৰদান কৰিছে? তাৰে কিমানজনৰ নিযুক্তি স্থায়ী আৰু কিমানজনৰ চুক্তি ভিত্তিক অথবা অস্থায়ী নিযুক্তি? বিভাগ অনুসৰি প্ৰতি বছৰে নিযুক্তি দিয়া নাম তালিকা প্ৰদান কৰিব।

(খ) ১ এপ্ৰিল, ২০১৬ চনৰ পৰা এই প্ৰশ্নৰ উত্তৰ দিয়াৰ তাৰিখলৈকে কিমানজনে চৰকাৰী চাকৰি ইস্তাফা দিছে আৰু কিমানজনে চাকৰি সাল-সলনি কৰিছে? ইয়াৰে কিমানজন স্থায়ী/চুক্তি ভিত্তিক অথবা অস্থায়ীভাৱে নিযুক্ত আছিল?

(গ) অসমত বৰ্তমান কিমান সৰ্বমুঠ নিবনুৱা আছে? ইয়াৰ কিমানগৰাকী শিক্ষিত আৰু কিমান গৰাকী অশিক্ষিত নিবনুৱা? ২০১১ চনৰ ১ এপ্ৰিলৰ পৰা বছৰি এমপ্লয়মেন্ট এক্‌চেঞ্জত পঞ্জীভুক্ত নিবনুৱাৰ মুঠ সংখ্যা জনাব।

(ঘ) এক লাখ নিবনুৱা নিযুক্তিৰ চৰকাৰী প্ৰতিশ্ৰুতি অনুসৰি বৰ্তমানৰ চৰকাৰে সৰ্বমুঠ কিমান নিবনুৱাক নিযুক্তি দিলে, বিভাগ অনুসৰি স্থায়ী/অস্থায়ী চুক্তি ভিত্তিক নিযুক্তিৰ তথ্য দিব। তেওঁলোকৰ কিমানজনক আজিৰ তাৰিখলৈকে দৰমহা দি আছে আৰু কিমান জনক দিব পৰা নাই?

*Sub.* : **PWSS under JJM**

Shri ABDUR RASHID MANDAL :

34. Will the Minister of Public Health Engineering Department be pleased to state:

(a) Please furnish district wise in details of total numbers of PWSS under JJM with total estimated costs and total FHTC were sanctioned in the state till date.

(b) Please furnish district wise in details of total numbers of PWSS already completed with total numbers of FHTC provided till date.

(c) Please furnish district wise in details of total numbers of PWSS yet to be completed with percentage in average and total numbers of FHTC yet to be provided.

(d) Please furnish district wise in details of total numbers of bill value of total works both completed and non-completed including total amounts of bills already paid and total amounts of bills yet to be paid.

(e) Whether the incomplete PWSS will be completed or not ? If yes, when ? If not, why ?

(f) Whether the outstanding bills will be paid or not ? If yes, when ? If not, why ?

*বিষয় ঃ* **বাজেটৰ ধন সম্পৰ্কে**

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

৩৫। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চলিত বিত্তীয় বৰ্ষত ধাৰ্য্য কৰা বাজেটৰ ধন চৰকাৰে কোন কোন বিভাগত কিমান টকাকৈ খৰচ কৰিলে, বিতং তথ্য দিব।

(খ) বাজেটত আবণ্টিত ধনৰ বাকী থকা ধনৰাশি কিমান দিনৰ ভিতৰত খৰচ কৰা হ'ব, সবিশেষ জনাব।

(গ) বাজেটৰ বাকী থকা ধনৰাশি খৰচ কৰিবলৈ চৰকাৰে কি কি পৰিকল্পনা কৰিছে, সেই বিষয়ে বিতংভাৱে জনাব।

*বিষয় ঃ* **A.A.Y-G এর Geo-Tag**

শ্ৰীনিজাম উদ্দিন চৌধুৰী ঃ

৩৬। মাননীয় পঞ্চায়ত এবং গ্ৰামোন্নয়ণ বিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কি ঃ

(ক) আলগাপুর বিধান সভা সমষ্টিকে A.A.Y-G এর Geo-Tag করা হয়েছিল এমতাবস্থায় Side বন্ধ হয়ে গিয়েছে, যাহাদের Geo-Tag হয় নাই, তাহাদের Geo-Tag এর ব্যাপারে সরকার কোনো বিহীত ব্যবস্থা নিয়েছে কি?

(খ) যদি নিয়ে থাকে তবে উহার বিস্তারিত বিবরণ সদনে দাখিল করার জন্য অনুরোধ রইল।

*বিষয় ঃ* **নতুন খণ্ড উন্নয়ন কাৰ্যালয় গঠন**

শ্ৰীদুৰ্গা দাস বড়ো ঃ

৩৭। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত নতুন খণ্ড উন্নয়ন কাৰ্য্যালয় গঠনৰ সিদ্ধান্ত আছে নেকি?

(খ) ওদালগুৰি জিলাৰ টংলা সমষ্টিত মাত্ৰ এটা খণ্ড উন্নয়ন কাৰ্যালয় আছে বাবে বৃহৎ অঞ্চলৰ ৰাইজৰ যথেষ্ট অসুবিধা হয়। দ্বিতীয় এটা খণ্ড উন্নয়ন কাৰ্যালয় স্থাপনৰ ব্যৱস্থা ল'ব নেকি?

*বিষয় ঃ* **আদৰ্শ অংগনবাড়ী কেন্দ্ৰ নিৰ্মাণ**

শ্ৰীদিগন্ত বৰ্মন ঃ

৩৮। মাননীয় মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰৰ মহিলা আৰু শিশু উন্নয়ন বিভাগে কিমানটা আদৰ্শ অংগনবাড়ী কেন্দ্ৰ নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ কৰিছে আৰু কিমানটা সম্পূৰ্ণ হৈছে? (বিতং তথ্য সদনত দাখিল কৰিব।)

(খ) নতুনকৈ আৰু আদৰ্শ অংগনবাড়ী কেন্দ্ৰ নিৰ্মাণৰ বাবে পুঁজি ধাৰ্য্য কৰাৰ পৰিকল্পনা আছে নেকি?

(গ) অসমৰ ১২৬ টা বিধান সভা সমষ্টিৰ বিপৰীতে কিমানটাকৈ আদৰ্শ আংগনবাড়ী কেন্দ্ৰ নিৰ্মাণ ব্যৱস্থা কৰা হৈছে? (বিতং তথ্য সদনত দাখিল কৰিব।)

*বিষয় ঃ* **আন্তঃগাঁথনি উন্নয়ন আৰু শিক্ষাৰ স্তৰ উন্নীতকৰণ সম্পৰ্কে।**

শ্ৰীমজিবুৰ ৰহমান ঃ

৩৯। মাননীয় মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) বহুত অংগনবাড়ী কেন্দ্ৰৰ মূল গৃহ আৰু শৌচালয়ৰ অৱস্থা একেবাৰে অস্বাস্থ্যকৰ হোৱা বাবে অসম চৰকাৰে আৰু সংশ্লিষ্ট বিভাগে ৰাজ্যৰ প্ৰতিখন অংগনবাড়ী কেন্দ্ৰৰ আন্তঃগাঁথনি উন্নয়ন কৰাৰ ক্ষেত্ৰত কিবা পৰিকল্পনা কৰিছে নেকি? (সবিশেষ সদনৰ মজিয়াত দাখিল কৰিব।)

(খ) ৰাজ্যৰ বেছিভাগ অংগনবাড়ী কেন্দ্ৰ কৰ্মী বা সহায়িকাৰ নিজৰ মাটিত নিৰ্মাণ কৰাৰ ফলত সেই কেন্দ্ৰবোৰৰ গৃহৰ অৱস্থা ভাল নহয়। ৰাজ্যৰ প্ৰতিটো অংগনবাড়ী কেন্দ্ৰ চৰকাৰী মাটিত স্থাপন কৰি আন্তঃগাঁথনি উন্নয়ন কৰাৰ লগতে প্ৰাক প্ৰাথমিক পৰ্য্যায়লৈ উন্নীতকৰণ কৰি নিৰ্মাণ কৰাৰ চৰকাৰৰ কিবা পৰিকল্পনা আছে নেকি? (সবিশেষ সদনৰ মজিয়াত দাখিল কৰিব)

*বিষয় ঃ* **Tourism প্ৰকল্প**

শ্ৰীমতী সুমন হৰিপ্ৰিয়া ঃ

৪০। মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বিগত পাঁচ বছৰত Tourism Sector টো কিমান আগবাঢ়িছে জনাবনে?

(খ) Tourism প্ৰকল্পসমূহৰ বাবে ৰাজ্য চৰকাৰৰ Financial Grant পৰ্যাপ্ত নে?

(গ) Private Public Partnership Mode ত যদি Department এ Project অনুমোদন জনাইছে, জনাব।

(ঘ) বহিঃৰাজ্য বা বহিঃদেশৰ পৰা Tourism Sector ত ৰাজ্যখনে সঁহাৰি পাইছে নেকি?

*বিষয় ঃ* **MGNREGAৰ আঁচনি সম্পৰ্কত**

শ্ৰীতেৰছ গোৱালা ঃ

৪১। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত MGNREGA আঁচনিৰ অধীনত কি কি কাম কৰিব পাৰি? তালিকা দিব।

(খ) দুলীয়াজান বিধান সভা সমষ্টিত ২০২৫ বৰ্ষত MGNREGA আঁচনিৰ অধীনত কি কি কাম চলি আছে? গাঁও পঞ্চায়ত ভিত্তিত কাম সমূহৰ তালিকা দিব।

(গ) দুলীয়াজান বিধান সভা সমষ্টিত কিমান গৰাকী লোকক জব কাৰ্ড প্ৰদান কৰা হৈছে? জব কাৰ্ডৰ বিপৰীতে জবকাৰ্ডধাৰী কিমান লোকক কিমান দিনৰ বাবে কাম দিয়া হ'ল? গাঁও পঞ্চায়ত ভিত্তিত সংখ্যা সহ তালিকা দিব।

(ঘ) বৰ্তমান জবকাৰ্ডৰ জৰিয়তে কাম কৰিলে এগৰাকী শ্ৰমিকে দৈনিক মজুৰী কিমান পায়? শ্ৰমিক গৰাকী কাম কৰাৰ কিমান দিনৰ ভিতৰত দৰমহা পাব লাগে? সবিশেষ জনাব।

*বিষয় ঃ* **জল জীৱন মিছন আঁচনি**

ডাঃ আছিফ মহম্মদ নাজাৰ ঃ

৪২। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

জলজীৱন মিছন আঁচনিৰ যিসকল ঠিকাদাৰক ঠিকা দিয়া হৈছিল, সেই ঠিকাদাৰ সকলক কিমান শতাংশ বিল আদায় দিবলৈ বাকী আছে আৰু কিয় বাকী আছে?

*Sub.:* **Contractor Details for JJM Schemes in Dholai Constituency.**

Shri NIHAR RANJAN DAS :

43. Will the Minister of Public Health Engineering Department be pleased to state:

(a) Please furnish the comprehensive, scheme-wise list of all contractors (including their registered names and official addresses & contact numbers) who have been allocated works for the Jal Jeevan Mission (JJM) sanctioned under the Dholai constituency.

(b) Please furnish the specific work package(s) and sactioned amount allotted to each of the said contractors.

*বিষয় ঃ* জল জীৱন মিছন আঁচনি

শ্ৰীনজৰুল হক ঃ

৪৪। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা অসম বিধান সভাৰ ০৪-০৩-২০২৫ ইং তাৰিখৰ তৰাবিহীন প্ৰশ্ন নং ১৬২ৰ উত্তৰত ২৩ নং ধুবুৰী বিধান সভা সমষ্টিত জল জীৱন মিছনৰ ৫৫ খন আঁচনিৰ কাম চলি থকাৰ বিষয়ে জনাইছিল আৰু ৪২ খন আঁচনিৰ কাম সম্পূৰ্ণ হোৱা বুলি কৈছিল। সম্পূৰ্ণ হোৱা আঁচনি সমূহ বৰ্তমানে কাৰ্য্যক্ষম হৈ আছেনে? যদি কাৰ্য্যক্ষম হোৱা নাই কেতিয়ালৈকে হ'ব?

(খ) নিৰ্মাণ কাৰ্য্য চলি থকা বাকী আঁচনি কেইটাৰ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ হ'লনে? যদি হোৱা নাই কেতিয়ালৈ সম্পূৰ্ণ হৈ উঠিব।

*বিষয় ঃ* ম'ডেল অংগনবাড়ী

শ্ৰীছামছুল হুদা ঃ

৪৫। মাননীয় মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২৭ নং পূব বিলাসীপাৰা সমষ্টিত বৰ্তমান কিমানটা অংগনবাড়ী কেন্দ্ৰত পাঠদান চলি আছে? এই কেন্দ্ৰসমূহৰ কিমানটা কেন্দ্ৰ ভাড়াঘৰত চলি আছে? বৰ্তমানলৈ কিমান অংগনবাড়ী কেন্দ্ৰক ম'ডেল অংগনবাড়ী কেন্দ্ৰলৈ উন্নীতকৰণ কৰা হ'ল আৰু কিমান বাকী আছে? বিস্তাৰিত তথ্য সদনত দাখিল কৰিব।

(খ) বৰ্তমান ২৭ নং পূব বিলাসীপাৰা সমষ্টিত অনুমোদন লাভ কৰা ম'ডেল অংগনবাড়ী কেন্দ্ৰসমূহৰ নাম আৰু Construction Committeeৰ সম্পূৰ্ণ তথ্য সদনত দাখিল কৰিব।

(গ) ২০২৫-২৬ বিত্তীয় বৰ্ষত চৰকাৰে নতুনকৈ ম'ডেল অংগনবাড়ী কেন্দ্ৰৰ কাৰণে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি? যদি ব্যৱস্থা গ্ৰহণ কৰিছে, কিমানটা ম'ডেল অংগনবাড়ী কেন্দ্ৰ দিয়া হ'ব?

*বিষয় ঃ* ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় নিৰ্মাণ

শ্ৰীকৰিম উদ্দিন বড়ভূইয়া ঃ

৪৬। মাননীয় সাধাৰণ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সোনাই ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়টো জৰাজীৰ্ণ অৱস্থাত থকাৰ বিষয়ে চৰকাৰ অৱগত নে?

(খ) যদি অৱগত, উক্ত কাৰ্যালয়টোৰ পুনৰ নিৰ্মাণৰ কাম কেতিয়ালৈ আৰম্ভ কৰিব?

*বিষয় ঃ* প্ৰধানমন্ত্ৰী আৱাস যোজনা

শ্ৰীমনোৰঞ্জন তালুকদাৰ ঃ

৪৭। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা ২০২৩-২৪ আৰু ২০২৪-২৫ আৰ্থিক বৰ্ষত বৰপেটা জিলাত কিমানটা প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অন্তৰ্গত ঘৰৰ আবণ্টন দিয়া হৈছিল, তাৰ তালিকা ব্লক অনুযায়ী জনাব।

(খ) এই আবণ্টিত ঘৰসমূহৰ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ হৈছেনে? যদি হৈছে, কিমানটা ঘৰৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে তাৰ বিৱৰণ দিব।

(গ) এই ২০২৫-২৬ আৰ্থিক বৰ্ষত জিলাখনত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত কিমান গৃহৰ আবণ্টন দিয়া হৈছে তাৰ তথ্য ব্লক অনুযায়ী জনাব।